# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 14-APR-2026
**Time :** 1845 HRS

## *Assamese Evening Bulletin*
## Headlines
--------------------

১।	অসমবাসীৰ বাপতিসাহোন ৰঙালী বিহুৰ প্ৰথম দিনটো আজি গৰু বিহু হিচাপে ৰাজ্যজুৰি উদযাপন।

২।	বড়ো জনগোষ্ঠী লোকসকলৰ পৰম্পৰাগত উছাহ-উদ্দীপনাৰে বৈশাগু পালন।

৩।	নীতিশ কুমাৰৰ পদত্যাগ। বিহাৰৰ নতুন মুখ্যমন্ত্ৰীৰূপে কাইলৈ সম্ৰাট চৌধুৰীৰ শপতগ্ৰহণ।

৪।	ভাৰতীয় সংবিধান প্ৰণেতা ড০ বি আৰ আম্বেদকাৰৰ ১৩৬ সংখ্যক জয়ন্তী উপলক্ষে নেতাগৰাকীলৈ দেশবাসীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন।	**আৰু**

৫।	আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি চেন্নাই ছুপাৰ কিংছ কলকাতা নাইট ৰাইডাৰ্ছৰ মুখামুখি।

ooooo

অসমবাসীৰ বাপতিসাহোন ৰঙালী বিহুৰ প্ৰথম দিনটো আজি গৰু বিহু হিচাপে ৰাজ্যজুৰি উদযাপন কৰা হৈছে। এই উপলক্ষে আজি পুৱাৰে পৰা সন্ধিয়ালৈ নৈৰ ঘাট আৰু খাল-বিলসমূহত গঞা ৰাইজে গোহালিৰ গৰুসমূহ নোৱাই-ধোৱাই বছৰটোলৈ গোধনৰ শ্ৰীবৃদ্ধি কামনা কৰে। পৰম্পৰাত বিশ্বাসী অসমীয়াই আজি পুৱাতে গোহালিৰ গৰুকেইটাক মাহ-হালধিৰে নোৱাই-ধোৱাই লাও-বেঙেনাৰ মালা পিন্ধাই, দীঘলতি, মাখিয়তিৰে কোবাই সন্ধিয়া গোধনক নপঘাৰে বান্ধি গোহালিৰ দুৱাৰমুখত বিভিন্ন বৌনজ উপাদানেৰে জাগ দি সেৱা যাঁচে।

কাইলৈ ৰাজ্যজুৰি পালন কৰা হ'ব মানুহ বিহু। অসমীয়া নতুন বছৰৰ প্ৰথম দিনা পুৱাতে গা ধুই কনিষ্ঠজনে জ্যেষ্ঠজনক সেৱা জনাব। প্ৰিয়জনৰ পৰা আদৰৰ বিহুৱান লৈ ধন্য হ'ব পৰম্পৰাত বিশ্বাসী প্ৰতিজন অসমীয়া। চিৰা-দৈ, বিভিন্ন পিঠা পনাৰে আলহি, অতিথিক আপ্যায়িত কৰা হ'ব। প্ৰতিঘৰ অসমীয়াৰ পদূলি জাউৰিয়ে জাউৰিয়ে বিহুনাম, ঢোলৰ গুমগুমনি, পেঁপা-গগনাৰ মধুৰ ঐক্যতানত মুখৰিত হ'ব। সাত বিহুলৈকে চলিবলগীয়া এই ৰং-উলাহৰ সময়ক আদৰিবলৈ ৰাজ্যৰ প্ৰান্তে প্ৰান্তে এতিয়া উৎসৱপ্ৰেমী জনগনৰ শেষ প্ৰস্তুতি চলিছে। বিহুৰ বাবে প্ৰয়োজনীয় বিবিধ সামগ্ৰীৰে বজাৰ উভৈনদী হৈ পৰিছে।

মাজুলীৰ বিভিন্ন সত্ৰানুষ্ঠানতো আজিৰে পৰা ব'হাগ বিহু পালন কৰা হৈছে। আজি মহা বিষুৱ সংক্ৰান্তি উপলক্ষে দক্ষিণপাট সত্ৰত মালা সেৱা পৰ্ব অনুষ্ঠিত হৈছে। সত্ৰৰ মহাপ্ৰভুক চিৰা-পিঠা, দৈ আদিৰ দিয়াৰ পাছত বৈষ্ণৱসকলে নিত্যকৰ্ম কৰাৰ লগতে বিহুৰ ঘোষাৰে নাম গায়। ইয়াৰ পাছতে প্ৰতিজন বৈষ্ণৱে দুডাল মালাৰে সত্ৰাধিকাৰক গুৰুসেৱা জনায়।

**বাইট (ননীগোপাল গোস্বামী)**

কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি চাবুৱাৰ বিন্ধাকটা মুলুক গাঁৱত পৰম্পৰাগত ৰীতি-নীতিৰে গৰু বিহু পালন কৰে। শ্ৰীসোণোৱালে তেওঁৰ প্ৰয়াত পিতৃ-মাতৃৰ সমাধিত সেৱা লোৱাৰ লগতে পৰম্পৰাগত কণীযুঁজৰো আনন্দ লয়।

**ৱাইট (সৰ্বানন্দ সোণোৱাল)**

নদুৱাৰৰ বিধায়ক পদ্ম হাজৰিকাই কন্যকা কৃষিপামত গৰু মাহ-হালধিৰে নোৱাই-ধোৱাই গৰু বিহু উদযাপন কৰে। ইপিনে খুমটাইৰ বিধায়ক মৃণাল শইকীয়া যোগীবাৰীত আজি সমূহীয়াকৈ গৰু বিহু উদযাপন কৰে।

শ্ৰীভূমি জিলাৰ বৰগুল গাঁৱত পুৱাই পৰম্পৰাগতভাৱে গৰু বিহু পালন কৰা হয়। যোৰহাট, শিৱসাগৰ, চৰাইদেউ, ডিব্ৰুগড়, নলবাৰী, বৰপেটা আদি জিলাতো পৰম্পৰাগতভাৱে গৰু বিহু পালন কৰা হৈছে।

বিগত বৰ্ষৰ দৰে ব'হাগক আদৰিবলৈ এইবাৰো সদৌ গুৱাহাটী ছাত্ৰ সন্থাই আজি জজ খেলপথাৰত মুকলি বিহুৰ আয়োজন কৰে। এই অনুষ্ঠানত ৰাজ্যখনলৈ সুনাম কঢ়িয়াই অনা কেইবাগৰাকীও বিশিষ্ট ব্যক্তিক সদৌ অসম ছাত্ৰ সন্থাৰ তৰফৰ পৰা সম্বৰ্ধনা জনোৱা হয়।

পাঠশালা আঞ্চলিক ছাত্ৰ সন্থাই মুকলি বিহু উদযাপনৰ সৈতে সংগতি ৰাখি কাইলৈ বিশিষ্ট শিক্ষাবিদ তথা সমাজসেৱক মুনীন্দ্ৰ নাৰায়ণ গোস্বামীক পাঠশালা বঁটা প্ৰদান কৰিব।

অসমীয়াৰ বাপতিসাহোন ৰঙালী বিহু উপলক্ষে ৰাজ্যজুৰি এতিয়া পাৰভঙা উছাহ। আদৰৰ ৰঙালী বিহুটি উদযাপন কৰিবলৈ অন্যান্য জনগোষ্ঠীয় লোকসকলেও পৰম্পৰাগত ৰীতি-নীতিৰে ব্যাপক প্ৰস্তুতি চলাইছে। আজিৰ গৰু বিহু পালনৰ পাছত কাইলৈ বাথৌ মন্দিৰত প্ৰাৰ্থনা জনাই বড়ো ডেকাসকলে কান্ধত খাম, হাতত চিফুং, চেৰজা তুলি লৈ গঞাৰ ঘৰে ঘৰে গৈ বৈশাগু উৎসৱৰ গান গাব। এই উৎসৱ ৭ দিন ধৰি চলিব। বাক্সা জিলাৰ গধূলি গাঁৱৰ কৃষক ৰাইজে কালদিয়া নদীলৈ আহি গৰু গা ধুৱাই পৰম্পৰাগত ৰীতি-নীতিৰে খাম, চিফুং, চেৰজাৰ তালে তালে বৈশাগু নৃত্য কৰে। একেদৰে জিলাখনৰ সদৰ মুছলপুৰ, মহকুমা সদৰ শালবাৰী, অঞ্চলী, জালাহ, শিমলা, বৰমা, সাউদৰভিঠা, আনন্দবজাৰ, বাঁহবাৰী আদি বিভিন্ন ঠাইত পৰম্পৰাগত ৰীতি-নীতিৰে আজি গৰু বিহু উদযাপন কৰা হয়। এই সন্দৰ্ভত জিলাখনৰ পৰা আমাৰ সংবাদদাতা দামোদৰ তালুকদাৰে এইদৰে কয়—

**ভইচকাষ্ট (দামোদৰ তালুকদাৰ)**

গোৱালপাৰা জিলাৰ ৰংডোবা গাঁৱৰ বড়ো জনগোষ্ঠীৰ লোকসকলে বৈশাগী উৎসৱৰ বাবে প্ৰস্তুতি আৰম্ভ কৰিছে। গাঁওখনত অহা ১১ আৰু ১২ ব'হাগত ৰংজালী বৈশাগু উৎসৱ পালন কৰা হ'ব। ইয়াৰ বাবে প্ৰতিদিনে বাগৰুম্বা নৃত্যৰ অনুশীলন চলি আছে। আনহাতে কোচ ৰাজবংশীসকলেও তেওঁলোকৰ জাতীয় উৎসৱ বিষুৱা উদযাপন কৰিব।

শিৱসাগৰ নগৰৰ মুক্তিনাথ চাৰিআলিত ঐক্য নামৰ অন্যতম সামাজিক, সাংস্কৃতিক স্বেচ্ছাসেৱী অনুষ্ঠানৰ উদ্যোগত আজি অসম ভিত্তিত কণীযুঁজ প্ৰতিযোগিতা আৰু মুকলি বিহু উদযাপন কৰা হয়। এই অনুষ্ঠানত বিহুৱা-বিহুৱতীয়ে বিহুনাম পৰিৱেশন কৰি উৎসৱমুখৰ পৰিবেশৰ সৃষ্টি কৰে। উল্লেখযোগ্য যে এই কণীযুঁজ প্ৰতিযোগিতা আৰু মুকলি বিহু উদযাপনে এইবেলি ৩১ বছৰত ভৰি দিছে।

০০০০০

ভাৰতীয় জনতা পাৰ্টিৰ নেতা সম্ৰাট চৌধুৰী এন ডি এ শাসিত ৰাজ্য বিহাৰৰ নতুন মুখ্যমন্ত্ৰী হ’ব। ৰাজ্যৰ বৰ্তমানৰ মুখ্যমন্ত্ৰী নীতিশ কুমাৰৰ পদত্যাগৰ পাছতে আজি এন ডি এৰ বিধায়ক সভাত সৰ্বসন্মতিৰূপে চৌধুৰীৰ নাম মনোনীত কৰা হয়। ইয়াৰ লগে লগে প্ৰথমবাৰৰ বাবে বিহাৰত বিজেপি দলৰ নেতা মুখ্যমন্ত্ৰী হোৱাটোও নিশ্চিত হয়। কাইলৈ নতুন মুখ্যমন্ত্ৰীৰ নেতৃত্বত ৰাজ্যখনত নতুন মন্ত্ৰীসভাই শপত ল’ব।

উল্লেখযোগ্য যে ৰাজ্যসভাৰ সাংসদৰূপে ইতিমধ্যে শপত লোৱা নীতিশ কুমাৰে আজি ৰাজ্যপাল অৱসৰপ্ৰাপ্ত লেফটেনেণ্ট জেনেৰেল ছৈয়দ আতা হাছনাইনৰ হাতত আনুষ্ঠানিকভাৱে পদত্যাগ পত্ৰ অৰ্পণ কৰে। বিগত দুটা দশকৰো অধিক সময় ধৰি বিহাৰৰ মুখ্যমন্ত্ৰী হিচাপে কাৰ্যনিৰ্বাহ কৰা নীতিশ কুমাৰে যোৱা ১১ এপ্ৰিলত ৰাজ্যসভাৰ সাংসদ হিচাপে শপত গ্ৰহণ কৰিছিল। আজি তেওঁ পাটনাত অন্তিমখন কেবিনেট সভাত অংশ লয় আৰু মন্ত্ৰীসভা ভংগ হোৱাৰ কথা ব্যক্ত কৰে।

ইফালে মুখ্যমন্ত্ৰীৰ প্ৰাৰ্থীৰ নাম বাছনি কৰিবলৈ বিজেপিয়ে পৰ্যবেক্ষকৰূপে নিযুক্তি দিয়া কেন্দ্ৰীয় মন্ত্ৰী শিবৰাজ সিং চৌহান আজি পাটনাত উপস্থিত হৈ বিধায়িনী দলৰ সভাত অংশ লয়। এই সভাতে চৌধুৰীৰ নাম নিৰ্ণয় কৰাৰ পাছত এন ডি এৰ সভাত আনুষ্ঠানিকতা সম্পন্ন কৰি ৰাজ্যপালক পত্ৰ প্ৰেৰণ কৰাৰ সিদ্ধান্ত লয়।

উল্লেখযোগ্য যে ২৪৩ জনীয়া বিহাৰ বিধানসভাত ৩৬ জনীয়া মন্ত্ৰী সভা গঠন কৰাৰ সাংবিধানিক অনুমতি আছে।

০০০০০

ভাৰতীয় সংবিধান প্ৰণেতা ড০ ভীমৰাও ৰামজী আম্বেদকাৰৰ আজি ১৩৬ সংখ্যক জয়ন্তী। স্বাধীনতা সংগ্ৰামী, শিক্ষাবিদ, আইনবিদ আৰু সমাজ সংস্কাৰক ড০ আম্বেদকাৰৰ ১৮৯১ চনৰ আজিৰ দিনটোতে মধ্য প্ৰদেশৰ এটা দলিত পৰিয়ালত জন্ম হৈছিল। তেওঁৰ জন্মদিনটো প্ৰতি বছৰে সমতা দিৱস হিচাপে উদযাপন কৰি অহা হৈছে। এই উপলক্ষে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে জনসাধাৰণক বহুমুখী ব্যক্তিত্বসম্পন্ন সমাজ সংস্কাৰকজনৰ আদৰ্শৰে অনুপ্ৰাণিত হৈ ৰাষ্ট্ৰ নিৰ্মাণৰ ক্ষেত্ৰত আগবাঢ়ি যাবলৈ আহ্বান জনায়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দলিত আৰু বঞ্চিতসকলৰ কাৰণে অহৰহ যুদ্ধৰত ন্যায়বীৰজনৰ আদৰ্শই ভাৰতবাসীক সদায়েই অনুপ্ৰাণিত কৰি যাব বুলি মন্তব্য কৰে। উপৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণ, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, লোকসভাৰ অধ্যক্ষ ওম বিৰলা, ৰাজ্যসভাৰ বিৰোধী দলৰ নেতা মল্লিকাৰ্জুন খাৰ্গে, কেইবাগৰাকীও কেন্দ্ৰীয় মন্ত্ৰী তথা সাংসদে আম্বেদকাৰৰ জয়ন্তী উপলক্ষে সংসদ ভৱনৰ প্ৰেৰণাস্থলত থকা ড° বি আৰ আম্বেদকাৰৰ সমাধিত শ্ৰদ্ধা নিবেদন কৰে।

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাইও মহান চিন্তাবিদ, সংবিধান প্ৰণেতা আৰু সমাজ সংস্কাৰক আম্বেদকাৰক শ্ৰদ্ধাৰে স্মৰণ কৰিছে। ড০ আম্বেদকাৰৰ দৰ্শনে এখন সমতাপূৰ্ণ ন্যায় সংগত আৰু শক্তিশালী ভাৰত গঢ়াৰ দিশে জনসাধাৰণক অনুপ্ৰাণিত কৰে বুলি মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰে।

০০০০০

অসম চুক্তিৰ আধাৰত প্ৰতিষ্ঠা হোৱা নুমলীগড় শোধনাগাৰৰ সম্প্ৰসাৰণ কাৰ্যৰ প্ৰায় ৮২ শতাংশ কাম সম্পূৰ্ণ হৈছে। শোধনাগাৰ কৰ্তৃপক্ষই প্ৰকাশ কৰা অনুসৰি চলিত বছৰৰ ভিতৰতে এই কাম সম্পূৰ্ণ কৰিবলৈ কেন্দ্ৰীয় চৰকাৰে নিৰ্দেশ জাৰি কৰিছে। পূৰ্বৰ ২২ হাজাৰ ৫১৪ কোটি টকাৰ পৰা শোধনাগাৰটোত ব্যয়ৰ পৰিমাণ ২৮ হাজাৰ ২৬ কোটি টকালৈ বৃদ্ধি কৰা হৈছে। ইয়াৰ ফলত শোধনাগাৰটোৰ বাৰ্ষিক উৎপাদনৰ ক্ষমতা বৃদ্ধি পাব বুলি কৰ্তৃপক্ষই  প্ৰকাশ কৰিছে।

০০০০০

জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাৰ তদন্তৰ বাবে গঠিত ন্যায়াধীশ সৌমিত্ৰ শইকীয়াৰ তদন্ত আয়োগে হাফলং উপ-কাৰাগাৰত থকা দুগৰাকী অভিযুক্ত শ্বেখৰ জ্যোতি গোস্বামী আৰু অমৃত প্ৰভা মহন্তক কাৰাগাৰতে জেৰা কৰি জবানবন্দী লিপিবদ্ধ কৰাৰ ব্যৱস্থা কৰিছে। আয়োগৰ চান্দমাৰীস্থিত কাৰ্যালয়ৰ পৰা জাৰি কৰা জাননী অনুসৰি কালি এই প্ৰক্ৰিয়া আৰম্ভ হৈছে আৰু ১৭ এপ্ৰিল পৰ্যন্ত চলিব। ন্যায়াধীশ শইকীয়াই ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰ জৰিয়তে অভিযুক্ত দুগৰাকীৰ ভাষ্য গ্ৰহণ কৰিছে।

০০০০০

কোকৰাঝাৰ জিলাৰ হৰিণাগুৰিৰ বাওখুংগ্ৰী পাহাৰত কালিৰে পৰা তিনিদিনীয়াকৈ অনুষ্ঠিত ত্ৰয়োদশ বাওখুংগ্ৰী মহোৎসৱৰ আজি সামৰণি পৰিব। উৎসৱৰ অংশ হিচাপে বাওখুংগ্ৰী পাহাৰ বগোৰা প্ৰতিযোগিতা অনুষ্ঠিত হয়। এই উপলক্ষে অঞ্চলটোত বহু লোকৰ সমাগম হয়। যুৱক-যুৱতীসকলে বিভিন্ন পৰম্পৰাগত বাদ্য বজাই গৈ পাহাৰৰ শিখৰত আৰোহন কৰে। পৰহিৰে পৰা অনুষ্ঠিত এই উৎসৱৰ অংশ হিচাপে বৰ্ণাঢ্য কাৰ্যসূচী অনুষ্ঠিত হয়।

উল্লেখযোগ্য যে বড়ো জনগোষ্ঠীৰ নৱবৰ্ষৰ উৎসৱ বৈশাগু বা ৰঙালী বিহুৰ পূৰ্বে জনগোষ্ঠীটোৱে এই বাওখুংগ্ৰী পাহাৰ বগোৰা উৎসৱৰ আয়োজন কৰে। পৰম্পৰাগত বিশ্বাস অনুসৰি এই পাহাৰ বগাই শীৰ্ষলৈ গৈ ইষ্ট দেৱতাৰ আৰাধনা কৰাৰ দ্বাৰা বছৰটোলৈ অসুখ, অশান্তি, আৰু দুৰ্ভাগ্য নাশ হয়। এই উৎসৱৰ অংশ হিচাপে চাইক্লিং, পেৰাগ্লাইদিং, এয়াৰ বেলুন উৰুৱা, খাদ্য মহোৎসৱ আৰু বৰ্ণাঢ্য সাংস্কৃতিক কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। উৎসৱৰ সৈতে সংগতি ৰাখি বড়ো জনগোষ্ঠীৰ থলুৱা খেল ধেমালীৰ লগতে বৈসাগু আৰু বাগৰুম্বা নৃত্য প্ৰদৰ্শনৰ দিহা কৰা হৈছে। ২০১৩ চনৰ পৰা বিটিচিৰ পৰ্যটন বিভাগে এই উৎসৱৰ আয়োজন কৰি ইয়াৰ অংশ হিচাপে দুঃসাহসিক ক্ৰীড়া প্ৰতিযোগিতা অনুষ্ঠিত কৰি আহিছে।

০০০০০

পশ্চিমবংগ বিধানসভা নিৰ্বাচনৰ বাবে বিভিন্ন ৰাজনৈতিক দলৰ তাৰকা প্ৰচাৰকৰ লগতে প্ৰাৰ্থীসকলে ব্যাপক প্ৰচাৰ অব্যাহত ৰাখিছে। বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি উত্তৰ বংগ জিলাৰ গংগাৰামপুৰত এটা নিৰ্বাচনী সমাবেশত অংশগ্ৰহণ কৰে। সমাবেশত দিয়া ভাষণত তেওঁ বিজেপি শাসনলৈ আহিলে ৰাজ্যখনত ৰাজনৈতিক হিংসা, চিণ্ডিকেট, আদিৰ অৱসান ঘটোৱাৰ লগতে অনুপ্ৰৱেশকাৰীক ওভতাই পঠিওৱা হব বুলি প্ৰতিশ্ৰুতি দিয়ে। তদুপৰি উত্তৰ বংগত এখন এইমছ আৰু ৬০০খন বিচনাযুক্ত কৰ্কট চিকিৎসালয় স্থাপন কৰা হব বুলিও তেওঁ উল্লেখ কৰে। ৰাজ্যখনৰ ৰায়গঞ্জ আৰু মালদাত জ্যেষ্ঠ কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়ে প্ৰচাৰ সভাত অংশ লয়। নিজৰ ভাষণত তেওঁ যুৱক-যুৱতীসকলক কৰ্মসংস্থাপন দিবলৈ অপাৰগ হোৱাৰ বাবে তৃণমূল কংগ্ৰেছ চৰকাৰক সমালোচনা কৰে। তেওঁ কয় যে মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীয়ে ৫ লাখ লোকক নিযুক্তি দিব বুলি প্ৰতিশ্ৰুতি দিছিল বুলি ৮৪ লাখ যুৱক যুৱতীয়ে নিবনুৱা ভাট্টাৰ বাবে আবেদন কৰিছে। শ্ৰীগান্ধীয়ে ভোটদাতাৰ তালিকাৰ বিশেষ পুংখানুপুংখ সংশোধনী অসাংবিধানিক বুলি অভিহিত কৰে। তৃণমূল কংগ্ৰেছৰ নেত্ৰী মমতা বেনাৰ্জীয়ে আজি ৰাজ্যখনৰ কেইবাটাও স্থানত অংশগ্ৰহণ কৰে। হাওৰা জিলাৰ জগত বল্লভপুৰত দলীয় প্ৰাৰ্থীৰ সমাৰ্থনত জনসভাত অংশ লৈ দিয়া ভাষণত তেওঁ ৰাজ্যখনত বৈধ ভোটাৰৰ নাম কৰ্তন কৰাৰ বাবে বিজেপিয়ে নিৰ্বাচন আয়োগক ব্যৱহাৰ কৰা বুলি অভিযোগ তোলে। নেত্ৰীগৰাকীয়ে পশ্চিম মেদিনীপুৰ আৰু পূব মেদিনীপুৰ

জিলাত ৰাজহুৱা সভাত অংশ লৈ প্ৰচাৰ চলায়। উল্লেখযোগ্য যে ৰাজ্যখনত অহা ২৩ আৰু ২৯ এপ্ৰিলত দুটা পৰ্যায়ত নিৰ্বাচন অনুষ্ঠিত হ'ব।

০০০০০

প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী বেদব্ৰত বৰুৱাৰ আজি গুৱাহাটীৰ এখন ব্যক্তিগত হাস্পতালত মৃত্যু ঘটে। গুৱাহাটীৰ গীতানগৰৰ বাসিন্দা বৰুৱাৰ মৃত্যুৰ সময়ত বয়স হৈছিল ৯৭ বছৰ। ১৯৬৭, ১৯৭১ আৰু ১৯৭৭ চনত কলীয়াবৰ লোকসভা সমষ্টিৰ পৰা নিৰ্বাচিত বৰুৱাই আইন, ন্যায় আৰু কোম্পানী পৰিক্ৰমা দপ্তৰৰ উপ-মন্ত্ৰীৰ দায়িত্ব নিৰ্বাহ কৰিছিল। বৰুৱাৰ মৃত্যুত বিভিন্ন ব্যক্তি আৰু দল-সংগঠনে শোক প্ৰকাশ কৰিছে।

০০০০০

গোৱালপাৰা জিলাৰ মৰনৈ থানাৰ অন্তৰ্গত কৃষ্ণাই নদীৰ ভোজনলা ঘাটত আজি গৰু গা ধুৱাবলৈ গৈ দুগৰাকী যমজ ভাতৃৰ মৃত্যু হয়। মৃত কিশোৰ দুগৰাকী নৱম শ্ৰেণীৰ ছাত্ৰ দেৱাশীষ নাথ আৰু দিপাংকৰ নাথ বুলি জানিব পৰা গৈছে। আৰক্ষী সূত্ৰৰ উদ্ধৃতি দি আমাৰ গোৱালপাৰাৰ সংবাদদাতাই জনোৱা মতে, দুয়োগৰাকী কিশোৰে গৰুক গা ধুৱাই থাকোতে পানীত বুৰ যায়। পাছত স্থানীয় ৰাইজ আৰু এছ দি আৰ এফে অভিযান চলাই মৃতদেহ উদ্ধাৰ কৰে।

০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি চেন্নাই এম এ চিদাম্বৰম ষ্টেডিয়ামত চেন্নাই ছুপাৰ কিংছ কলকাতা নাইট ৰাইডাৰ্ছৰ মুখামুখি হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

০০০০০

অসমৰ ২২ গৰাকী বক্সাৰে চলিত অষ্টম পুৰুষ-মহিলা ৰাষ্ট্ৰীয় যুৱ বক্সিং চেম্পিয়নশ্বিপত জয়ৰে অভিযান আৰম্ভ কৰি দ্বিতীয় ৰাউণ্ডত প্ৰৱেশ কৰিছে। সোণাপুৰস্থিত অসম ডনবস্ক' বিশ্ববিদ্যালয়ৰ হলত আৰম্ভ হোৱা প্ৰতিযোগিতাখনৰ ল'ৰাৰ ৭৫ কিলোগ্ৰাম ওজন শাখাত মৃদুপম বৰুৱা আৰু ৫৫ কিলোগ্ৰাম শাখাত মহম্মদ আয়ানৰ লগতে ছোৱালীৰ ৬৫ কিলোগ্ৰাম শাখাত নীশিতা কোঁৱৰ, ৮০ কিলোগ্ৰাম ঊৰ্ধৰ শাখাত আস্তিনা শইকীয়া আৰু ৬০ কিলোগ্ৰাম শাখাত পুনছাং দলেই প্ৰথম ৰাউণ্ডৰ খেলত জয়লাভ কৰে। বক্সিং ফেডাৰেচন অৱ ইণ্ডিয়াৰ সহযোগত অসম এমেচাৰ বক্সিং সন্থাই আয়োজন কৰা প্ৰতিযোগিতাখনত দেশৰ ৩৩ খন ৰাজ্যৰ প্ৰায় ৮০০ খেলুৱৈয়ে অংশগ্ৰহণ কৰিছে। অহা ১৯ এপ্ৰিলত সামৰণি পৰিবলগীয়া এই প্ৰতিযোগিতাৰ পৰাই যুৱ অলিম্পিক গেমছ আৰু বিশ্ব চেম্পিয়নশ্বিপৰ বাবে ভাৰতীয় পুৰুষ-মহিলা বক্সিং দল বাছনি কৰা হ'ব।

০০০০০

সমাপ্ত